**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। কেন্দ্ৰীয় বাজেটত উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ বৃদ্ধি।

২। নামৰূপত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম ইউৰিয়া প্ৰকল্প স্থাপনৰো প্ৰস্তাৱ। বাজেটক লৈ দল-সংগঠনৰ প্ৰতিক্ৰিয়া প্ৰকাশ।

৩। কৰ্কট ৰোগৰ চিকিৎসা সহজলভ্য কৰি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৪। অসম সাহিত্য সভাৰ পৰৱৰ্তী পূৰ্ণাংগ অধিৱেশন ডিব্ৰুগড় জিলাৰ দুলীয়াজানত। **আৰু**

৫। উত্তৰাখণ্ডত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ বৰ্তমানলৈকে ১২টা পদক লাভ।

০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে। এইবাৰৰ বাজেট দেশৰ মধ্যবিত্ত শ্ৰেণীক সকাহ দিয়াৰ লক্ষ্যৰে প্ৰস্তুত কৰাৰ লগতে অৰ্থনৈতিক সংস্কাৰৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। বাজেটত ১০টা ক্ষেত্ৰক প্ৰাধান্য দিয়া হৈছে।

কৃষিখণ্ডক বিকাশৰ প্ৰথম ইঞ্জিন হিচাপে উল্লেখ কৰি বাজেটত কৃষিখণ্ডৰ উন্নয়ন আৰু কৃষকক উপকৃত কৰাৰ লক্ষ্যৰে বহুকেইখন নতুন আঁচনি ঘোষণা কৰা হৈছে। কিষাণ ক্ৰেডিট কাৰ্ডৰ সীমা ৫ লাখ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰি কালিৰ বাজেটত কৃষি উৎপাদন বৃদ্ধিৰ বাবে বিশেষ প্ৰস্তাৱ লোৱা হয়। কৃষকৰ উন্নয়নৰ লক্ষ্যৰে ১ কোটি ৭০ লাখ কৃষকলৈ ঋণ সুবিধা প্ৰদানৰ উদ্দেশ্যে জিলাসমূহত ‘প্ৰধানমন্ত্ৰী ধন ধ্যান কৃষি যোজনা’ আৰম্ভ কৰাৰ প্ৰস্তাৱো লোৱা হয়।

দেশৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উন্নয়নৰ বাবে বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উদ্যোগীৰ বাবে এই বাজেটত ১০ হাজাৰ কোটি টকাৰ আঁচনিৰ লগতে মহিলা উদ্যোগীৰ বাবে বিশেষ আঁচনিৰ ব্যৱস্থা কৰা হৈছে।

পৰ্যটন ক্ষেত্ৰক এইবাৰৰ বাজেটত বিশেষ গুৰুত্ব দিয়া হৈছে। বাজেটত দেশৰ ৫০ খন উল্লেখযোগ্য পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সৈতে বিশেষ চুক্তিও সম্পাদন কৰা হ’ব বুলি শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে।

জনসাধাৰণৰ স্বাস্থ্য সুনিশ্চিত কৰিবলৈ দেশৰ স্বাস্থ্য খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰি জীৱনদায়িনী ৩৬বিধ ঔষধৰ ক্ষেত্ৰতো কৰ ৰেহাই দিয়া হ’ব বুলি বিত্তমন্ত্ৰীয়ে ঘোষণা কৰে। ২০২৫ চনৰ ভিতৰত দেশৰ

সকলোবোৰ জিলা হাস্পতালত দুহেজাৰটা কৰ্কট কেন্দ্ৰ স্থাপন কৰা হ'ব। চিকিৎসা মহাবিদ্যালয়সমূহত ১০ হাজাৰ অতিৰিক্ত আসনৰ ব্যৱস্থা কৰা হ'ব বুলিও বাজেটত উল্লেখ কৰে।

০০০০০০

২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আৱণ্টিত পুঁজি আৰু উত্তৰ-পূব উন্নয়ন মন্ত্ৰ্যালয়ৰ পুঁজি বৃদ্ধি কৰা হৈছে। বাজেটত এইবেলি উত্তৰ-পূব উন্নয়ন মন্ত্ৰ্যালয়ৰ বাবে পাঁচ হাজাৰ ৯১৫ কোটি টকা আৱণ্টন কৰা হৈছে। ২০২৪-২৫ বৰ্ষৰ বাজেটত এই মন্ত্ৰ্যালয়ৰ বাবে চাৰি হাজাৰ ছয় কোটি টকা ধাৰ্য্য কৰা হৈছিল। বাজেটত উল্লেখ কৰা মতে এই শিতানত আৱণ্টিত ধনৰ বৃদ্ধিৰ পৰিমাণ প্ৰায় ৪৭ দশমিক ৬ শতাংশ। ইয়াৰ উপৰি অসমৰ চাহ শ্ৰমিকসকলৰ সামাজিক সুৰক্ষাৰ বাবে বাজেটত ৬৬ কোটি ৮৭ লাখ টকা আৱণ্টন দিয়া হৈছে। এইবাৰৰ বাজেটত বিত্ত মন্ত্ৰালয় তথা বিভিন্ন বিভাগত উত্তৰ-পূবৰ বাবে সুকীয়াকৈ এক লাখ পাঁচ হাজাৰ ৮৮৩ কোটি ২৮ লাখ টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ ভিতৰত উত্তৰ-পূব উন্নয়ন মন্ত্ৰ্যালয়ৰ বাবে ধাৰ্য্য কৰা ধনো সন্নিৱিষ্ট হৈ আছে।

০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি সংসদত ২০২৫-২৬ বৰ্ষৰ বাজেট উত্থাপন কৰি নামৰূপত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম ইউৰিয়া প্ৰকল্প স্থাপনৰ কথা ঘোষণা কৰে। এই ইউৰিয়া প্ৰকল্পটো উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ সাৰ কাৰখানা নামৰূপৰ ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ চৌহদত স্থাপন কৰা হ'ব। কেন্দ্ৰৰ ৬০ শতাংশ আৰু ৰাজ্যৰ ৪০ শতাংশ অংশীদাৰিত্বৰে এই নতুন ইউৰিয়া প্ৰকল্পটো ৰূপায়ণ কৰা হ'ব। এই ঘোষণা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্তক সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে যুগান্তকাৰী বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ পাছত নামৰূপৰ এই প্ৰকল্পই ৰাজ্যত সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে এই ঘোষণাই ৰাজ্যৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লগতে প্ৰায় ১০ হাজাৰ কোটি টকাৰ বিনিয়োগেৰে ৰাজ্যত প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰি সাৰ উৎপাদন কৰাত সহায় কৰিব আৰু কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫-২৬ চনৰ কেন্দ্ৰীয় বাজেটক দেশৰ প্ৰগতিৰ পৰিৱৰ্তনকামী পদক্ষেপ বুলি অভিহিত কৰিছে। এই বাজেটে বিকশিত ভাৰতৰ লক্ষ্যৰ প্ৰতি দেশৰ যাত্ৰাক ত্বৰান্বিত কৰিব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে এই বাজেট প্ৰতিগৰাকী ভাৰতীয়ৰ সপোন পূৰণ কৰিছে। তেওঁ লগতে এই বাটেজে সঞ্চয়, বিনিয়োগ, সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লগতে দেশৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বাজেটে ৰাজ্যৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লগতে উদ্যোগীসকলৰ বাবে নতুন সম্ভাৱনা কঢ়িয়াই আনিছে বুলি উল্লেখ কৰে।

ইপিনে কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে বাজেটখন দুখীয়া, কৃষক আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে হতাশজনক আৰু নতুনত্বহীন বুলি মন্তব্য কৰে। অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক

জগদীশ ভূঞাই বাজেটখনত অৰ্থনৈতিক স্থিতি সবল কৰিবলৈ চৰকাৰৰ বাস্তৱসন্মত নীতি নাই বুলি সমালোচনা কৰে। ৰাজ্যৰ দলৰ সভাপতি অখিল গগৈয়ে বাজেটখন নিৰ্বাচনমুখী বাজেট বুলি উল্লেখ কৰে।

০০০০০০

কৰ্কট ৰোগৰ চিকিৎসা সহজলভ্য কৰি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বৰ্হিঃ বিভাগ সেৱা মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কৰ্কটৰোগৰ চিকিৎসা সন্দৰ্ভত এইদৰে কয়-

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্যত ২০২৯ চনলৈ মুঠ ২৪ খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰাৰ লগতে নতুনকৈ দৰং, হোজাই আৰু হাইলাকান্দিত চিকিৎসা মহাবিদ্যালয়ৰ বাবে বাজেটত ধন আৱণ্টন কৰা হ'ব। তেওঁ ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ কৰ্মচাৰীসকলৰ বাবে প্ৰস্তুত কৰা মানৱ সম্পদ ব্যৱস্থাপনা বিষয়ক এটা প'ৰ্টেলো উন্মোচন কৰে। এক কোটি কৰ্কট ৰোগৰ পৰীক্ষণৰ মেগা কাৰ্যসূচী তথা কৰ্কট ৰোগৰ প্ৰশিক্ষণৰ বাবে ভাৰতী এয়াৰটেল গ্ৰুপৰ কোম্পানী ইণ্ডাচ টাৱাৰ আৰু অসম কৰ্কট ফাউণ্ডেচনৰ মাজত হোৱা বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত তেওঁ ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত নতুনকৈ ৭৫ হাজাৰ যুৱ-যুৱতীক আৰ্থিক সাহায্য প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। আঁচনিখনৰ অধীনত ৭৫ হাজাৰ যুৱ-যুৱতীক প্ৰাৰম্ভিক আৰ্থিক সাহায্য প্ৰদানৰ বাবে নাম পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত কালি আবেদন প'ৰ্টেল মুকলি কৰি দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি মুঠ ১ লাখ ৬২ হাজাৰ যুৱ-যুৱতীয়ে এই আঁচনিৰ অধীনত নাম পঞ্জীয়ন কৰিছিল আৰু সেইসকলে এতিয়া নিৰ্দিষ্ট প্ৰস্তাৱসমূহ আবেদন প'ৰ্টেলত জনাব লাগিব। তাৰ মাজৰ পৰা ৭৫ হাজাৰ যুৱ-যুৱতী নিৰ্বাচন কৰা হ'ব। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰে প্ৰথম পৰ্যায়ত আঁচনিখনৰ অধীনত ২৫ হাজাৰ যুৱ-যুৱতীক এক লাখকৈ টকা প্ৰদান কৰিছে আৰু বাকী এক লাখ টকা দ্বিতীয় কিস্তী হিচাপে অহা ছেপ্তেম্বৰ-অক্টোবৰ মাহত প্ৰদান কৰা হ'ব।

০০০০০০

অসম সাহিত্য সভাৰ সপ্ত সপ্ততিতম দ্বিবাৰ্ষিক পাঠশালাৰ অধিৱেশনৰ কালি দ্বিতীয় দিনা ভট্টদেৱ ক্ষেত্ৰত হাজাৰ হাজাৰ লোকৰ সমাগম ঘটে। কালি পুৱা সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰি ভাষা সাহিত্যৰ অগ্ৰগতিৰ বাবে সকলো জাতি-জনগোষ্ঠীৰ লোক একত্ৰিত হৈ আগবাঢ়িব লাগিব বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে। পতাকা উত্তোনৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। কালি স্মৃতি গ্ৰন্থ আৰু অন্যান্য গ্ৰন্থ উন্মোচনী সভাৰ লগতে জনগোষ্ঠীয় সাহিত্য সন্মিলন অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখন সাহিত্য একাডেমী বঁটা প্ৰাপক সাহিত্যিক নন্দেশ্বৰ দৈমাৰীয়ে উদ্বোধন কৰে। এই সভাখনত আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে আদৰণি ভাষণ দিয়ে। কালি পাঠশালা অধিৱেশন উপলক্ষে দুটা খণ্ডত প্ৰকাশিত স্মৃতি গ্ৰন্থ **বজালী বৈভৱ** দৈনিক অসম কাকতৰ সম্পাদক হিতেশ ডেকাই উন্মোচন কৰে। এই অনুষ্ঠানত ডেৰ শতাধিক

গ্ৰন্থ উন্মোচন কৰা হয়। এই অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ সভাপতি-সম্পাদক সকলেও অংশগ্ৰহণ কৰে। ইপিনে কালি অনুষ্ঠিত জাতীয় বৌদ্ধিক সন্মিলন আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্তই। সন্ধিয়াৰ ভাগলৈ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। কালি অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত অসম সাহিত্য সভাৰ পৰৱৰ্তী পূৰ্ণাংগ অধিৰেশন ডিব্ৰুগড় জিলাৰ দুলীয়াজানত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত  গ্ৰহণ কৰা হয়। আনহতে পৰৱৰ্তী বিশেষ অধিৰেশন পাঞ্জাবাৰীত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰা হয়।

০০০০০০

চতুৰ্থ কোকৰাঝাৰ সাহিত্য উৎসৱ কোকৰাঝাৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰাংগণত কালিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কালি আনুষ্ঠানিকভাৱে এই উৎসৱ মুকলি কৰে। এই উপলক্ষে শ্ৰী বড়োৱে কয়, যে সাহিত্যৰ কোনো সীমা নাথাকে। তেওঁ লগতে কোকৰাঝাৰ সাহিত্য উৎসৱত দেশ-বিদেশৰ কবি-সাহিত্যিক এক গোট হোৱাক লৈ আনন্দ প্ৰকাশ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নাগালেণ্ড বিধানসভাৰ অধ্যক্ষ সাৰিনগেইন লংকিউমেৰে বি টি আৰ চুক্তিৰ পিছত অঞ্চলটোলৈ শান্তিৰ বাতাবৰণ ঘূৰি অহাত সন্তুষ্টি প্ৰকাশ কৰে। বি টি আৰৰ ৰাইজৰ বাবে বৃহৎ সাফল্যতা বুলি মন্তব্য কৰি তেওঁ কয়, যে শান্তি বৰ্তি থকাটো সকলোৰে বাবে জৰুৰী।

০০০০০০

লোক সংস্কৃতিৰ সাধক, নাগাৰা নামৰ শিল্পী বিজয় মেধিলৈ  ২০২৫ বৰ্ষৰ মোহন ভাইৰা স্মাৰক বঁটা আগবঢ়ো হয়। সাহিত্য একাডেমী বঁটাপ্ৰাপক তথা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ দীপক কুমাৰ শৰ্মাই কালি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা আৰু জিলা উন্নতি সভাৰ উদ্যোগত নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে ফুলাম গামোচা, ফুলাম জাপি, চেলেং, শৰাই, স্মাৰক, সম্বৰ্ধনা পত্ৰ আৰু নগদ ধন।

০০০০০০

**বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি সদনত উত্থাপন কৰা ২০২৫-২৬ বৰ্ষৰ বাজেট সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত আটাইকেইখন কাকতে আলোকচিত্ৰ সহকাৰে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। বাজেটক লৈ অৰ্থনীতিবিদ আৰু বিভিন্ন ৰাজনৈতিক দলৰ নেতাৰ প্ৰতিক্ৰিয়া ব্যক্তক লৈ কাকতসমূহে বিভিন্ন বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। তৃতীয় চতুৰ্থ বৰ্গৰ কোনো কৰ্মচাৰীয়ে আয়কৰ দিব নালাগে বুলি মূখ্যমন্ত্ৰীয়ে কৰা এটা ঘোষণাক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকতসমূহে নামৰূপত নতুন ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰাক লৈ এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। অসম সাহিত্য সভাৰ পাঠশালা অধিৰেশনত ১৮৬ খন পতাকা উত্তোলন কৰা আৰু আজি হবলগীয়া নৱনিৰ্বাচিত সভাপতিক লৈ চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ সাংস্কৃতিক শোভাযাত্ৰা সন্দৰ্ভত কাকতসমূহে আলোকচিত্ৰ সহ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত গিলিৱন বেৰে চিন্দ্ৰম অৰ্থাৎ জিবিএছ ৰোগত আক্ৰান্ত হোৱা প্ৰথমগৰাকী ৰোগীৰ মৃত্যু হয়। এই বাতৰিটো দৈনিক জনমভূমি আৰু আমাৰ অসম আৰু কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চৰকাৰৰ ইউনিকোড সমিতিত প্ৰয়াত শিক্ষাবিদৰ নাম অন্তৰ্ভুক্ত হোৱাক লৈ আমাৰ অসম আৰু অসমীয়া খবৰ কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ**

**অসম অভিযানৰ অনলাইন পঞ্জীয়ন আৰু ৰাজহ বিভাগৰ ডিজিটেল সেৱাৰো দুটা পৰ্তেল মূখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰে। এই বাতৰিটো দৈনিক অসম, দৈনিক অগ্ৰদূত আৰু The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মহাকুম্ভত ৭৭ খন দেশৰ ১১৮ জনীয়া এটা দলে অংশগ্ৰহন কৰাৰ এটা বাতৰি The Sentinel কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাজেতক প্ৰশংসা কৰি মুখ্যমন্ত্ৰী য়ে ১১ লাখ কোটি বজাৰ ঋণৰ প্ৰস্তাবে উন্নয়নক আগুৱাই নিব বুলি কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।**

**আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।**

০০০০০০

অসমে উত্তৰাখণ্ডত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত বৰ্তমানলৈকে ১২ টা পদক লাভ কৰিছে। অসমে কালি ৩টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰে ভিতৰত অসমে সাঁতোৰত দুটা, ভাৰোত্তলনত আৰু উশ্বুত একোটাকৈ পদক অৰ্জন কৰে। বিক্ৰম চাংমাই পুৰুষৰ ২০০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক লাভ কৰে আৰু মহিলাৰ একেটা শিতানত আস্থা চৌধুৰীয়ে ব্ৰঞ্জৰ পদক হস্তগত কৰে। ভাৰোত্তোলনত সুদিত্য বৰুৱাই কালি অসমক তৃতীয়টো পদক দিয়ে। সুদিত্যই পুৰুষৰ ৮৯ কিলোগ্ৰাম ওজন শাখাত স্নেছত শিতানত ১৪১ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্ক শিতানত ১৭৮ কিলোগ্ৰাম ভাৰোত্তোলন কৰি ৰূপৰ পদক লাভ কৰে। একেদৰে ক্ষুদ্ৰা পানগিঙে উশ্বুৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ চান্দা ফ্ৰিষ্টাইলৰ ফাইনেলত পৰাজিত হৈ ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়। ইপিনে, অসমৰ পুৰুষ ফুটবল দলটোৱে উত্তৰাখণ্ডক ১-০ গ'লত পৰাস্ত কৰি ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফুটবলৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

অসমে ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি ল'নবল, যোগাসন, সাতোৰ, ভাৰোত্তোলন, আৰ্চাৰী, বক্সিং আৰু বেডমিণ্টনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে ৩-১ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰে যদিও ইংলেণ্ডে তৃতীয়খন খেলত বিজয় সাব্যস্ত কৰি শৃংখলাত প্ৰত্যাৱৰ্তনৰ চেষ্টা চলায়। অৱশ্যে চতুৰ্থখন খেলত সূৰ্য কুমাৰ নেতৃত্বাধীন ভাৰতীয় দলে ১৫ ৰানত জয়লাভ কৰি শৃংখলাৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে।

টি-২০ শৃংখলাৰ পাছত ভাৰত আৰু ইংলেণ্ডৰ মাজত তিনিখন এদিনীয়া খেল খেলোৱা হ'ব। এই তিনিখনীয়া শৃংখলাৰ প্ৰথমখন খেল বৃহস্পতিবাৰে অনুষ্ঠিত হ'ব। বাকী দুখন খেল ৯ আৰু ১২ ফেব্ৰুৱাৰীত খেলোৱা হ'ব।০০০০

০০০০০০

বতৰৰ বতৰা–

বৰঝাৰৰ আঞ্চলিক বতৰবিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব

বুলিআঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৩ ডিগ্ৰী ছেলছিয়াছ।

বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু নাগালেণ্ডত সামগ্ৰিকভাৱে বতৰ ফৰকাল হৈ থাকিব বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত